# মাটিৰ তলৰ ধন



এখন গাঁৱত এজন বৰ সাধু আৰু পৰিশ্ৰমী বুঢ়া আছিল। ডেকা বয়সত বুঢ়াই নিজৰ চেষ্টাৰ ফলত বহুতো ধন উপাৰ্জন কৰিছিল। এই বুঢ়াৰে আকৌ চাৰিজন পুতেক আছিল। কিন্তু আটাই-কেইটা আছিল অতি এলেহুৱা। সিহঁতে কাম-বন একো নকৰি ঘৰতে বহি বহি দিনবোৰ পাৰ কৰি বুঢ়াই ঘটা ধনকে খৰচ কৰি খাইছিল।

এই চাৰিটা পুতেকক লৈ বুঢ়াৰ বৰ চিন্তা। ইফালে বুঢ়াৰ স্বাস্থ্যও দিনে দিনে পৰি আহিছে। কাম-বন একো কৰিব নোৱৰা হ'ল। সেয়ে বুঢ়াৰ মনত মাথো এটাই চিন্তা : লৰা-কেইটাকনো কেনেকৈ কামত মন বহুৱাব পাৰি। বুঢ়াই সদায়

Shot on Y12
Vivo AI camera

Scanned with ACE Scanner

সিহঁতক বুজনি দিয়ে; কিন্তু একো ফল নধৰে। কোনো এটাৰে একো কাম কৰিবলৈ মন নাই। বুঢ়াৰ কথা সিহঁতে শুনিও নুশুনাৰ ভাও ধৰি আঁতৰি যায়।

ইফালে বুঢ়াৰো মৃত্যুৱে দিন চমু চাপি আহিছে। এদিনাখন সেয়ে বুঢ়াই চাৰিওটা পুতেকক মাতি ক'লে যে তেওঁ সকলো ধন-সম্পত্তি পথাৰত পুতি থৈছে। তেওঁৰ মৃত্যুৰ পাছত যেন ল'ৰাহঁতে সেইখিনি উলিয়াই আনি তাৰে পেট প্ৰবৰ্তায়।

এদিনাখন হঠাতে বুঢ়া ঢুকাল। সকাম-নিকাম শেষ হোৱাৰ পাছত পুতেকহঁতে পথাৰলৈ গৈ এফালৰ পৰা পথাৰখন খান্দি-বলৈ ধৰিলে। সিহঁতে খান্দিলেহে খান্দিলে কিন্তু ক'তো একো নাপালে। আনেোতে খান্দোতে গোটেই পথাৰখন ধুনীয়াকৈ চহ কৰা হ'ল। দেখাও এনেকুৱা হ'ল যেন শইচ সিঁচিবলৈহে পথাৰখন কোৰ মাৰি থৈছে। ল'ৰাহঁতে পথাৰত একো বিচাৰি নাপাই শইচকে সিঁচি দিলে। পথাৰত হোৱা শইচ বিক্ৰী কৰি সিহঁতে বহুত পইচা পালে। তেতিয়াহে সিহঁতে দেউতাকৰ কথাৰ অৰ্থ বুজি পালে। আচল ধন-সম্পদ আচলতে পথাৰতেই লুকাই আছিল। তাৰ পাছৰ পৰাই সিহঁতে অধিক যতন কৰি খেতি কৰিবলৈ ধৰিলে আৰু ধন আৰ্জন কৰি সুখেৰে দিন কটালে। □□□

"পৰিশ্ৰমতকৈ ডাঙৰ সম্পদ একো নাই।"

Scanned with ACE Scanner